# ঈশ্বৰৰ মৃত্যু দূতে এজন বেয়া ৰজাক দাসবোৰক মুকলি কৰি দিবলৈ বাধ্য কৰিলে

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভু, মানুহবিলাকক পাপৰ দাসত্বৰ পৰা, মৃত্যু আৰু অসৎ আত্মাৰ পৰা মুকলি কৰি আনিবলৈ ল'ৰা-ছোৱালীবিলাকে আপোনাত ভাৰসা কৰিবলৈ সহায় কৰক।"



মৃত্যু দূত

এজন ডাঙৰ ল'ৰা অথবা বয়সস্থ লোকক তলত দিয়া নাটকখনৰ তিনিটা ভাগৰ পৰা বৰ্ণনাকীৰয়ে দিয়া চমু বিৱৰণৰ নটা বিষয় ব্যৱহাৰ কৰি ইস্ৰায়েলসকলে দাসত্বৰ পৰা সাৰি অহাৰ কথা বৰ্ণনা কৰক।

দাসত্বৰ পৰা ইস্ৰায়েলে ৰক্ষা পৰাৰ কিছু অংশ (যাত্ৰাপুস্তক ১১-১৫ অধ্যায়) নাটক কৰি দেখুৱাওক।

- ল'ৰা-ছোৱালীবিলাকে নাটকখন বা নাটকৰ কিছু অংশ কৰি দেখুৱাবৰ বাবে উপাসনা চলাওঁতাজনৰ লগত ঠিক কৰি লওক।
- ল'ৰা-ছোৱালীবিলাকক শিকাই থকাৰ সময়তে নাটকখনৰ আখৰা কৰক।
- ডাঙৰবিলাকে সৰুবিলাকক প্ৰস্তুত কৰাত সহায় কৰিবলৈ দিয়ক।
- আপুনি আটাইকেইটা অংশ ব্যৱহাৰ নকৰিলেও হ'ব।
- ডাঙৰ ল'ৰা-ছোৱালী বা বয়সীয়াসকলক ফৰৌণ, ভয়াতুৰ শিশু, বৰ্ণনাকাৰী আৰু মোচিৰ ভাও ল'বলৈ দিয়ক।
- সৰু ল'ৰা-ছোৱালীবিলাকক বেলেগ ভাওবোৰ কৰিবলৈ দিয়ক।

## প্ৰথম ভাগ

**বৰ্ণনাকাৰী ঃ** কাহিনীৰ প্ৰথম ভাগটো সংক্ষেপে কয়।

(১) নিষ্ঠুৰ মিচৰীয়া বিলাকে ঈশ্বৰৰ লোকবিলাকক চাবুকেৰে কোবাই দাসৰ দৰে কাম কৰিবলৈ বাধ্য কৰিছিল।

(২) ঈশ্বৰে তেওঁলোকৰ বিননি শুনিছিল আৰু দাসবিলাকক মুকলি কৰি দিবলৈ ফৰৌণ ৰজাক ক'বৰ বাবে মোচিক পঠিয়াইছিল।

(৩) ফৰৌণ সেই কাম কৰিবলৈ অস্বীকাৰ কৰিলে, গতিকে দাসবিলাকক মুকলি কৰিবলৈ ফৰৌণক বাধ্য কৰাবৰ বাবে ঈশ্বৰে সেই দেশলৈ মহামাৰী পঠিয়ালে।

তাৰ পিছত কয়, "বেয়া ৰজা ফৰৌণৰ পৰা মোচিয়ে কি দাবি কৰিছে শুনা।"

**মোচি ঃ** ইস্ৰায়েলৰ অতি মহান প্ৰভু ঈশ্বৰে তেওঁৰ লোকবিলাকক দাসত্বৰ পৰা মুকলি কৰি দিবলৈ তোমাক আদেশ দিছে।"

**ফৰৌণঃ** "তোমাৰ ঈশ্বৰ নো কোন হয় যে তেওঁক মই মানি চলিম? মিচৰৰ অনেক দেৱতাবোৰ অধিক শক্তিশালী।"

**মোচি ঃ** আপোনাৰ প্ৰতিমাবোৰতকৈ যে তেওঁৰ অধিক শক্তি আছে তাক প্ৰমাণ কৰি দেখুৱাবলৈ আমাৰ ঈশ্বৰে মহামাৰীবোৰ পঠিয়াব।"

**বৰ্ণনাকাৰী ঃ** "প্ৰথম উৎপাত ! পুৰণি মিচৰীয়া সকলে নীল নদীক অৱমাননা কৰিলে, গতিকে ঈশ্বৰে ইয়াক তেজলৈ পৰিবৰ্ত্তন কৰিছিল।"

**ফৰৌণ ঃ** "আমাৰ গোটেই নিজৰাবোৰ দূষিত হৈ গ'ল, কিন্তু মোৰ লোকবিলাকে পানী পাবৰ বাবে নাদবোৰ খান্দিছে।

**ভাৰৰীয়াবোৰ ঃ** বেঙৰ দৰে জাঁপ মাৰে।

**বৰ্ণনাকাৰী ঃ** "দ্বিতীয় উৎপাত ! ফৰৌণ আৰু তেওঁৰ লোকবিলাকে বেঙবোৰৰ বিষয়ে কি কয় শুনা।"

**ফৰৌণ ঃ** "সকলোতে বেঙবোৰ ! আনকি মোৰ শোৱনী কোঠাটো ! উলিয়াই দিয়া সেইবোৰ !"

**ভাৰৰীয়াবোৰ ঃ** মুখ, হাত আৰু ডিঙিত চপৰিয়ায়। উৰহবোৰৰ বিষয়ে আপত্তি জনায়।

**বৰ্ণনাকাৰী ঃ** তৃতীয় উৎপাত ! ওকণীবোৰ ! মানুহবিলাকে ওকণীবোৰৰ বিষয়ে কি কয় শুনা।

**ফৰৌণ আৰু ভাৰৰীয়াবোৰ ঃ** ওকণীবোৰ চাৰিওফালে উৰে আৰু সেইবোৰৰ বিষয়ে আপত্তি জনায়।

**বৰ্ণনাকাৰী ঃ** "চতুৰ্থ উৎপাত ! ডাঁহ ! চোৱা, ফৰৌণ আৰু তেওঁৰ লোকবিলাকে ডাঁহবোৰেৰে কি কৰিছে চাওক।"

**ভাৰৰীয়াবোৰ ঃ** হাত আৰু ভৰিৰে খোজ কাঢ়ে আৰু গৰুৰ দৰে শব্দ কৰে। তাৰ পিচত বতাহতে ভৰি দুখন ঘুৰায়।

**বৰ্ণনাকাৰী ঃ** "পঞ্চম উৎপাত, ভয়ানক গৰু-ম'হৰ বেমাৰ। চোৱা, গৰুবোৰে কি কৰিছে।"

**ফৰৌণ আৰু ভাৰৰীয়াবোৰ ঃ** কিছুমানে সিহঁতৰ হাঁতবোৰ ধৰিছে আৰু কিছুমানে মুখবোৰ ধৰিছে। বিষত কান্দিছে।

**বৰ্ণনাকাৰী ঃ** "ষষ্ঠ উৎপাত" / বিষম খহু / চোৱা, ফৰৌণ আৰু তেওঁৰ লোকবিলাকে খহুৰ বাবে কি কৰিছে?

**ভাৰৰীয়াবোৰ ঃ** ওপৰলৈ চায় আৰু মুখত শিল বৰষুণ পৰাৰ পৰা ৰক্ষা কৰিবলৈ মুখখন ঢাকি ৰাখে। তাৰ পিচত পৰি যায়।

**বৰ্ণনাকাৰী ঃ** সপ্তম উৎপাত ! শিল বৰষুণ ! শিল বৰষুণ পৰোঁতে দেৱপূজক বিলাকে কি কৰিছে, চোৱা।

**ভাৰৰীয়া ঃ** ফৰিঙৰ নিচিনাকৈ জাঁপ মাৰি ফুৰে।

**ফৰৌণ ঃ** "সিহঁতক ৰখোৱা, মোচি ! সিহঁতে আমাৰ আটাইবোৰ শস্য খাই পেলাইছে।"

**বৰ্ণনাকাৰী ঃ** অষ্টম উৎপাত ! কাকতী ফৰিং ! কাকতী ফৰিংবোৰে কি কৰিছে চোৱা।

**ভাৰৰীয়া ঃ** অন্ধৰ দৰে চাৰিওফালে খোজ কাঢ়ি থাকে। অতিকৈ আন্ধাৰ বুলি আপত্তি জনায়। দুয়োখন হাত সন্মুখৰ ফালে ৰাখি বাটটো আন্দাজ কৰে। ইটোৱে সিটোক খুন্দা মাৰি পৰি যায়।

**বৰ্ণনাকাৰী ঃ** নৱম উৎপাত। মিচৰীয়াসকলে সূৰ্য্য পূজা কৰিছিল। গতিকে ঈশ্বৰে অন্ধকাৰ পঠিয়াইছিল। মানুহবিলাকে কি কৰিছে চোৱা।

## দ্বিতীয় ভাগ

**বৰ্ণনাকাৰী ঃ** কাহিনীটোৰ দ্বিতীয় ভাগখিনি চমুকৈ কয় !

১) শেষ উৎপাত ! মৃত্যু দূতে দেশখনৰ ওপৰেদি উৰি গৈছিল প্ৰত্যেকঘৰৰ আটাইতকৈ জ্যেষ্ঠ সন্তানটিক বধ কৰিছিল।

২) বিশ্বাসীসকলে তেওঁলোকৰ দুৱাৰবোৰত মেৰ পোৱালিৰ তেজেৰে দাগ দি থৈছিল। দূতে তেজ দেখি পাৰ হৈ গৈছিল।

৩) খৰখেদাকৈ মেৰ এটি ভোজন কৰিছিল। যিহুদীবিলাকে এই নিস্তাৰ পৰ্ব্বৰ ভোজ বৰ্ত্তমানলৈকে প্ৰতি বছৰে পালন কৰি আহিছে।

**ভয়াতুৰ সন্তান ঃ** আৱেগিকভাৱে লাহে লাহে কবিতাটি মুখস্থ কয় অথবা আবৃতি কৰে।

*এটি সন্তানৰ ভয়ানক আশা*

"সন্তানটিয়ে শোক কৰে, "মই টোপনি যাব নোৱাৰো,

মোৰ বুকু ভয়ত অতি খৰকৈ ধপ্‌ধপাইছে।
মোচিয়ে কৈছে আজি নিশা এইয়ে ঘটিব
মৃত্যু দূতে মিচৰ দেশৰ ওপৰেদি উৰি যাব।
আৰু মই, জ্যেষ্ঠ সন্তানে মৃত্যু বৰণ কৰিম,
যদিহে মেৰ পোৱালীৰ তেজৰ দাগ আমাৰ দুৱাৰত নাথাকে।
নিশাটি অন্ধকাৰ আৰু এতিয়া অন্ধকাৰ গভীৰতৰ হৈছে।
বতাহ চেঁচা হৈছে আৰু বেছিকৈ চেঁচা হৈ গৈ আছে
মই কাৰো ঘৰত একো শব্দ শুনা নাই।
হ'ব পাৰে দূতজন অৱশেষত নাহিল
অহ! মই এটি বেদনাসিক্ত ক্ৰন্দন শুনিছো, অনেক দূৰত,
ঈশ্বৰৰ মৃত্যু দূত তেওঁৰ যাত্ৰা পথত।
পুনৰায় মই মৃত্যুৰ চিএঁৰ শুনিছো, নিচেই ওচৰত।
এই ক্ৰন্দন মিচৰৰ জিভাত চাৰিওফালে শুনা গৈছে (ৰয়)
মই চিএঁৰ শুনা নাই, শুনিছো কেৱল উচুপনি, নিশা অনেক দূৰত।
মই জীৱিত, মই জীৱিত! মেৰ পোৱালীৰ তেজে মোক জীৱন দিলে।"

## তৃতীয় ভাগ

**বৰ্ণনাকাৰী ঃ** কাহিনীটোৰ তৃতীয় ভাগ চমুকৈ কয়।

১) ফৰৌণে মানুহবিলাকক যাবলৈ দিছিল কিন্তু মন সলনি কৰি সিবিলাকৰ পিচত সৈন্যৰ দল পঠিয়াই দিছিল।

২) ঈশ্বৰে চুফ সাগৰৰ মাজেদি তেওঁৰ লোকবিলাক পাৰ হৈ যাবলৈ পথ মুকলি কৰি দিছিল।

৩) সৈন্যবিলাকে যেতিয়া সিহঁতৰ পিচে পিচে যাবলৈ ধৰিলে, পানী আগৰ দৰে সমান হ'ল আৰু সৈন্যবিলাক মৰা পৰিল।

তাৰ পিছত কয় ঃ "শেষ উৎপাত, মিচৰৰ ঘৰবোৰত জ্যেষ্ঠ সন্তানবোৰৰ মৃত্যুৰ পিছত ফৰৌণে কি কৈছে শুনক!


**ফৰৌণ ঃ** "মোৰ জ্যেষ্ঠ পুত্ৰৰ মৃত্যু হ'ল গতিকে দাস বিলাকক মই যাবলৈ এৰি দিলো। কিন্তু এতিয়া মই মোৰ মন সলনি কৰিলোঁ। সিহঁতৰ পিছত সৈন্যবিলাক। তোমালোকৰ ঘোঁৰা আৰু ৰথবিলাক লোৱা। প্ৰত্যেক ইস্ৰায়েলক বধ কৰা।

**ভাৱৰীয়া ঃ** ঘোঁৰাত উঠি দৌৰি যোৱাৰ ভাও কৰে। তাৰ পিছত পানী ঘুৰি আহিছে বুলি ক্ৰন্দন কৰে। পৰি যায়।

**মোচি ঃ** "পবিত্ৰজনৰ গৌৰৱ হওঁক। তেওঁৰ মহান শক্তিৰে আমাক দাসত্ব আৰু মৃত্যুৰ পৰা ৰক্ষা কৰিলে।"

**বৰ্ণনাকাৰী ঃ** নাটকখন কৰি দেখুওৱাত সহায় কৰা আটাইকে ধন্যবাদ জনায়।

ল'ৰা-ছোৱালীবোৰক এটা বেঙৰ ছবি আঁকিবলৈ দিয়ক। সিহঁতৰ ছবিবোৰ উপাসনাৰ সময়ত বয়সীয়া বিলাকক দেখুৱাবলৈ কওক আৰু ঈশ্বৰে বেঙৰ উৎপাতটো দাসবিলাকক মুকলি কৰি দিবলৈ বেয়া ৰজাজনক যেন বাধ্য কৰাব পাৰে, এই কাৰণে পঠিয়াইছিল বুলি বুজাই দিবলৈ দিয়ক।



**কবিতা ঃ** চাৰিগৰাকী ল'ৰা-ছোৱালীক যাত্ৰাপুস্তক ১৫ঃ৩-৬ লৈকে প্ৰত্যেককে একোটাকৈ পদ মুখস্থ ক'ব দিয়ক।

খ্ৰীষ্টৰ জন্মৰ ১,৫০০ বছৰৰ আগেয়ে কিদৰে ঈশ্বৰে তেওঁৰ লোকবিলাকক ৰক্ষা কৰিলে, সেই বিষয়ে ডাঙৰ ল'ৰা-ছোৱালীবিলাকক কবিতা লিখিবলৈ দিয়ক।

**মুখস্থ কৰক ঃ** গীতমালা ৯১ঃ১ পদ।

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল ঈশ্বৰ, তুমি সৰ্ব্বশক্তিমান, তুমি আমাক আটাইকে বেয়া ৰজা, চয়তানৰ পৰা ৰক্ষা কৰা। আমি নিবেদন কৰোঁ সৰ্ব্বশক্তিমান যীচুৰ নামত আমাৰ বন্ধুবোৰকো তুমি মুকলি কৰি দিয়া। আমেন।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net